# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 01-05-2025
**Time :** 1745 HRS

## *Assamese Evening Bulletin*

***- - - - - - - - - - - - - -***

পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ বাবে কাইলৈ ১৪ খন জিলাত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। এই পৰ্যায়ত সামৰি ল'বলগীয়া জিলাসমূহৰ ভিতৰত তিনিচুকীয়া, ডিব্ৰুগড়, চৰাইদেউ, শিৱসাগৰ, মাজুলী, যোৰহাট, গোলাঘাট, ধেমাজি, লখিমপুৰ, শোণিতপুৰ, বিশ্বনাথ, কাছাৰ, হাইলাকান্দি আৰু শ্ৰীভূমি জিলা আছে। ভোটগ্ৰহণৰ বাবে বিভিন্ন ভোট কেন্দ্ৰত নিয়োজিত বিষয়ববীয়াসকল ইতিমধ্যে কেন্দ্ৰলৈ ৰাওনা হৈছে।

**গোলাঘাট** জিলাত প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে আজি পুৱাৰে পৰা প্ৰিজাইডিং পোলিং বিষয়াৰ লগতে নিৰাপত্তাৰক্ষীসকল নিজ নিজ ভোটকেন্দ্ৰ অভিমুখে যাত্ৰা কৰিছে। জিলাখনৰ পাঁচটা বিধানসভা সমষ্টিৰ ২০খন জিলা পৰিষদ, ১০৮খন আঞ্চলিক পঞ্চায়ত আৰু এহেজাৰ ৮০টা ৱাৰ্ডৰ বাবে ভোটগ্ৰহণ হ'ব। জিলাখনত স্থাপন কৰা এহেজাৰ ১৬৪টা ভোটগ্ৰহণ কেন্দ্ৰত ৭ লাখ ৮৯ হাজাৰ ১২৫ গৰাকী ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰিব পাৰিব। ইয়াৰে ২২৮টা ভোটগ্ৰহণ কেন্দ্ৰ মহিলা বিষয়াৰ দ্বাৰা পৰিচালিত হ'ব।

**শিৱসাগৰ** জিলাতো কাইলৈ ভোটগ্ৰহণৰ বাবে দায়িত্বৱাহী বিষয়া তথা সুৰক্ষা কৰ্মীসকল সংশ্লিষ্ট ভোটগ্ৰহণ কেন্দ্ৰত উপস্থিত হৈছেগৈ। জিলাখনৰ বেতবাৰী আঞ্চলিক পঞ্চায়তৰ কংগ্ৰেছৰ দলৰ প্ৰাৰ্থী অচ্যুতানন্দ গগৈৰ আকস্মিক মৃত্যুৰ পৰিপ্ৰেক্ষিতত বেতবাৰী আঞ্চলিক পঞ্চায়ত নিৰ্বাচন স্থগিত ৰখা হৈছে। ফলস্বৰূপে কাইলৈ জিলাখনৰ  চাৰিখন আঞ্চলিক পঞ্চায়ত, ১২খন জিলা পৰিষদ, ৮২খন গাঁও পঞ্চায়ত আৰু ৮২০টা ৱাৰ্ডৰ বাবে ভোটগ্ৰহণ কৰা হ'ব।

**ধেমাজি** জিলাতো কাইলৈ ৫ লাখ ১০ হাজাৰ ৫৩৭ গৰাকী ভোটদাতাই ৭২৭টা ভোটগ্ৰহণ কেন্দ্ৰত গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব।

**বিশ্বনাথ** জিলাৰ ৭৪৭টা ভোটকেন্দ্ৰত ৪ লাখ ৭৪ হাজাৰ ৯২৭ গৰাকী ভোটদাতাই এহেজাৰ ৩১২ গৰাকী প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব। জিলাখনত নিৰ্বাচন নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে ৩৬ গৰাকী মাণ্ডলিক, ৭৪ গৰাকী ছেক্টৰ, ৮৯৬ গৰাকী প্ৰিজাইডিং আৰু দুহেজাৰ ৬৮৮ গৰাকী প'লিং বিষয়া নিয়োগ কৰা হৈছে।

**শ্ৰীভূমি** জিলাত পঞ্চায়ত নিৰ্বাচন শান্তিপূৰ্ণভাৱে সম্পন্ন কৰিবলৈ জিলা আয়ুক্তই সকলো ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে দায়িত্বত নিয়োজিত সকলোকে নিৰ্দেশ দিছে। এখন সংবাদমেলযোগে আয়ুক্তগৰাকীয়ে কয়, যে এই নিৰ্বাচন নিকা আৰু শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসন দায়বদ্ধ। জিলাখনত ৮ লাখ ৬১ হাজাৰ ভোটদাতাই কাইলৈ ভোটৰ অধিকাৰ সাব্যস্ত কৰিব পাৰিব।

ইপিনে দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচন হ'বলগীয়া জিলাসমূহত জিলা প্ৰশাসনে প্ৰস্তুতি অব্যাহত ৰখাৰ লগতে ৰাজনৈতিক দলসমূহেও প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তুলিছে। **নগাঁও** জিলাত ভোটগ্ৰহণৰ প্ৰস্তুতি তথা ভোটকেন্দ্ৰসমূহত প্ৰাথমিক সুবিধাৰ বুজ লোৱাৰ উদ্দেশ্যে আজি নগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত জিলা আয়ুক্তৰ অধ্যক্ষতাত ছেক্টৰ আৰু জ'নেল বিষয়াসকলৰ এখন সভা অনুষ্ঠিত হয়। জিলা আয়ুক্তগৰাকীয়ে সকলো বিষয়াকে নিৰ্বাচনী নীতি-নিৰ্দেশনাসমূহ সঠিকভাৱে পালন কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে

আৰক্ষী বিষয়াসকলক জনসাধাৰণৰ লগত সহযোগিতাৰে নিৰপেক্ষ, নিকা আৰু স্বচ্ছ নিৰ্বাচনত গুৰুত্ব আৰোপ কৰে।

00000

বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ ৩৪ সংখ্যক মৃত্যুবাৰ্ষিকী উপলক্ষে অসম চৰকাৰৰ উদ্যোগত আজি নতুন দিল্লীত আয়োজিত এটা অনুষ্ঠানত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে বড়োফাৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰে আৰু এম চি ডি পাৰ্কত এখন ৰাজহুৱা সভাত ভাগ লয়। ৯ ফুট উচ্চতাৰ এই প্ৰতিমূৰ্তিটো বড়ো জনগোষ্ঠীৰ পিতৃস্বৰূপ নেতাগৰাকীৰ ত্যাগ আৰু কৰ্মৰ প্ৰতি শ্ৰদ্ধা জনাই স্থাপন কৰা হৈছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰীশ্বাহে লগতে নতুন দিল্লীৰ কৈলাশ কল'নীত বড়োফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ নামেৰে এটা পথৰ নামকৰণ কৰে। গৃহমন্ত্ৰীয়ে জনসভাত দিয়া ভাষণত অসমৰ লগতে উত্তৰ-পূব উগ্ৰপন্থী কাৰ্যকলাপৰ পৰা সম্পূৰ্ণ মুক্ত হৈ উন্নয়নৰ পথত অগ্ৰসৰ হৈছে বুলি উল্লেখ কৰি কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সন্ত্ৰাসবাদৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ নীতি গ্ৰহণ কৰি আহিছে।

অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই বিশেষ অতিথি হিচাপে ভাগ লয়। অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰী ড০ শৰ্মাই বড়োফাই বড়ো জনগোষ্ঠীৰ উত্তৰণৰ বাবে আগবঢ়োৱা অৱদান আৰু ত্যাগৰ কথা শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। তেওঁ কয় যে কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে বড়োফাৰ নামত আজি দেশৰ ৰাজধানীত পথ নামকৰণ কৰা কাৰ্যই জনগোষ্ঠীয় লোকসকলৰ বাবে এটা শক্তিশালী বাৰ্তা বহন কৰিব।

এসময়ত হত্যা-হিংসাৰে জৰ্জৰিত বড়োভূমিত সম্প্ৰতি শান্তি বিৰাজ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ইয়াৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক ধন্যবাদ জ্ঞাপন কৰে। বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো আৰু দিল্লীৰ মেয়ৰ ৰাজা ইকবাল সিং অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে উপস্থিত আছে।

ইপিনে, বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ ৩৪ সংখ্যক মৃত্যু বাৰ্ষিকী উপলক্ষে আজি কোকৰাঝাৰত দতমাৰ থুলুংগাপুৰীত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। ৰাজ্য চৰকাৰৰ সাংস্কৃতিক বিভাগে নিখিল বড়ো ছাত্ৰ সন্থা আৰু বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্ম ন্যাসৰ উদ্যোগত এই অনুষ্ঠানৰ আয়োজন কৰে। বড়োফাৰ স্মৃতিত শ্ৰদ্ধা জনাই আয়োজিত এই অনুষ্ঠানত ক্ৰীড়া আৰু যুৱ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী নন্দিতা গাৰ্লোছা উপস্থিত থাকে। অনুষ্ঠানত বিটিচিৰ উপ-মুখ্য কাৰ্যবাহী সদস্য গোবিন্দ বসুমতাৰীকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। বড়োফাৰ স্মৃতিত এবছুৰে আজি বিয়লি চাৰে ৫ বজাত বিটিআৰকে ধৰি ৰাজ্যৰ বিভিন্ন অঞ্চলৰ বাসগৃহ আৰু ৰাজহুৱা স্থানত ৫ লাখ মাটিৰ চাকি আৰু মমবাতি জ্বলোৱাৰ সিদ্ধান্ত লৈছে।

00000

অসমৰ মহিলাৰ বিৰুদ্ধে অপ্ৰীতিকৰ মন্তব্য আগবঢ়োৱাৰ অভিযোগ তুলি গুৱাহাটী মহানগৰ মহিলা কংগ্ৰেছে আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে এখন এজাহাৰ দাখিল কৰে। এজাহাৰ দাখিলৰ পাছত মহিলা কংগ্ৰেছৰ নেতৃবৃন্দই সংবাদ মাধ্যমৰ আগত কয় যে মুখ্যমন্ত্ৰীগৰাকীয়ে অশোভনীয় মন্তব্যৰে সমগ্ৰ মহিলা সমাজক অপমান কৰিছে। এই ক্ষেত্ৰত আৰক্ষীক আইন অনুসৰি ব্যৱস্থা গ্ৰহণ কৰিবলৈ কংগ্ৰেছৰ নেতৃবৰ্গই দাবী জনায়।

00000

সমাপ্ত